# খণ্ড-২ গোট-I ঃ প্ৰাচীন অসমীয়া সাহিত্যৰ নিৰ্বাচিত কাব্যাংশ (মাধৱ কন্দলিৰ ৰামায়ণৰ পৰা) [Select Verses of Ancient Assamese Literature(from Madhava Kandali's Ramayana)]



গাঁথনি

২.১.১ পাতনি
২.১.১.১ পৰিচয়
২.১.১.২ উদ্দেশ্যাৱলী
২.১.২ নিৰ্বাচিত পাঠ অংশৰ মূল পাঠ
২.১.৩ কবি পৰিচয়
২.১.৪ কাব্যাংশৰ ভাবাৰ্থ বিচাৰ
২.১.৫ কাব্যাংশৰ কাব্যিক সৌন্দৰ্য
২.১.৬ শব্দ টোকা
২.১.৭ অনুশীলনী
২.১.৭.১ বোধজ্ঞান অনুশীলনী
২.১.৭.২ বৈয়াকৰণিক অনুশীলনী
২.১.৭.৩ পঠন অনুশীলনী
২.১.৭.৪ লিখন অনুশীলনী
২.১.৮ উত্তৰ সংকেত
২.১.৯ অতিৰিক্ত পঠন উপদেশ

## ২.১.১ পাতনি

### ২.১.১.১ পৰিচয়

আপোনালোকে ইতিপূৰ্বে প্ৰথম খণ্ডৰ দ্বিতীয় গোটত অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতি সম্পৰ্কে এটা সম্যক আভাস পাইছে। সেই আলোচনাতে আপোনালোকে নিশ্চয় মাধৱ কন্দলিৰ বিষয়েও কিছু কথা পাইছে। আপোনালোক নিশ্চয় অৱগত যে মাধৱ কন্দলি হৈছে শংকৰদেৱৰ পূৰ্বৱৰ্তী কালৰ এগৰাকী অতি প্ৰতিভাশালী কবি আছিল। তেওঁ ৰামায়ণৰ আদি আৰু উত্তৰা কাণ্ডক বাদ দি মাজৰ পাঁচটা কাণ্ড অসমীয়ালৈ অনুবাদ কৰি ভাৰতীয় ৰামায়ণী সাহিত্যৰ ইতিহাসত কালজয়ী কীৰ্তি স্থাপন কৰি গৈছে; কাৰণ তেওঁ যেতিয়া ৰামায়ণ অনুবাদ কৰিছিল, তেতিয়া নব্য ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্ভুক্ত বাংলা, ওড়িয়া, মৈথিলী, হিন্দী আদি কোনো ভাষালৈকে ৰামায়ণ অনুবাদ হোৱা নাছিল। তেওঁ বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা লাভ কৰা বুলি ভণিতাত উল্লেখ কৰি গৈছে। এই বৰাহী ৰজা মহামাণিক্যৰ পৰিচয় সম্পূৰ্ণকৈ প্ৰমাণ কৰিব পৰাকৈ তথ্যৰ অভাৱ যদিও অনুমান কৰা যায় যে কছাৰী গোষ্ঠীৰ এইগৰাকী ৰজাই চতুৰ্দশ শতিকাত মধ্য অসমত শাসন কৰিছিল। এনে অনুমানৰ লগতে শংকৰদেৱে নিজৰ ৰচনাত মাধৱ কন্দলিক 'পূৰ্ব্বকবি অপ্ৰমাদী' উল্লেখ কৰালৈ চাই তেওঁ যে শংকৰদেৱৰ পূৰ্বৰ কবি আছিল সেই কথা সিদ্ধান্ত কৰাৰ স্পষ্ট ভিত্তি আছে। পৰৱৰ্তী সময়ত মাধৱ কন্দলিৰ ৰামায়ণৰ সৈতে মাধৱদেৱে আদিকাণ্ড আৰু শংকৰদেৱে উত্তৰাকাণ্ড অনুবাদ কৰি সংযোগ কৰি সপ্তকাণ্ড ৰামায়ণক পূৰ্ণতা প্ৰদান কৰে। মাধৱ কন্দলিৰ নামত *দেৱজিত* নামৰ আন এখন কাব্যও পোৱা যায়। অৱশ্যে এই কাব্যখনৰ ভাষা মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাৰ স্তৰৰ নহয়। সেয়েহে এইখন মাধৱ কন্দলিৰ ৰচনা নহয় বুলি পণ্ডিতসকলে অনুমান কৰিছে। এই গোটত মাধৱ কণ্ডলিৰ ৰামায়ণৰ সুন্দৰাকাণ্ডৰ এটা অংশ তুলি ধৰা হৈছে। এই অংশটো মহেশ্বৰ নেওগে 'সঞ্চয়ন' নামৰ অসমীয়া কবিতাৰ নিৰ্বাচিত সংকলনটো সংকলন কৰোঁতে তাত অন্তৰ্ভুক্ত কৰিছিল। তদুপৰি কোৱা হয় যে সুন্দৰা কাণ্ডই হৈছে মাধৱ কন্দলিৰ ৰামায়ণৰ কাব্যিকভাৱে সুন্দৰ অংশ ('সুন্দৰাকাণ্ডত কিছু অসুন্দৰ নাই')। সেয়েহে এই অংশটো মাধৱ কন্দলিৰ ৰচনাৰ আভাস পাবৰ

বাবেহে নিৰ্বাচন কৰা হৈছে। আশাকৰোঁ আপোনালোকে এই অংশটো পঢ়ি মাধৱ কন্দলিৰ সাহিত্যৰ সামগ্ৰিক ধাৰণা এটা কৰিবৰ বাবে অধিক অধ্যয়ন কৰিবলৈ অনুপ্ৰাণিত হ'ব।

### ২.১.১.২ উদ্দেশ্যাৱলী



১। শংকৰদেৱৰ পূৰ্বৱৰ্তী কবি হিচাপে মাধৱ কন্দলিৰ সাহিত্যৰ বিষয়ে আভাস দিয়া।
২। মাধৱ কন্দলিৰ সাহিত্যৰ মান সম্পৰ্কে এটা ধাৰণা দিয়া।
৩। মাধৱ কন্দলিৰ ৰামায়ণৰ সুন্দৰা কাণ্ডৰ সাহিত্যিক সৌন্দৰ্যৰ এটা আভাস দিয়া।

## ২.১.২ নিৰ্বাচিত পাঠ অংশৰ মূল পাঠ

শঙ্খিনী চিত্ৰিণী নাৰী পদ্মিনী হস্তিনী আদি
ত্ৰিভূৱনে যতেক সুন্দৰী।
দিগবিজয়ত সাজি দেৱাসুৰ-ৰণে জিনি
লঙ্কেশ্বৰে আনি আছে হৰি।।
মন্ত্ৰী পাত্ৰ সমস্তত সমৰ্পিয়া ৰাজ্যভাৰ
তেসম্বে সহিতে কৰে ক্ৰীড়া।
নাকত আঙ্গুলি দিয়া বোলন্ত পৱন সুতে
কিনো ভৈলা জগতৰ পীড়া।।
হৰি হৰি গোসানীৰ পৰিচয় নভৈলোহো
খুজি পাইবো কমন প্ৰকাৰে।
দেৱ-দেৱী-প্ৰসাদত ইঙ্গিতে জানিলো মই
পতিব্ৰতা-নাৰী ব্যৱহাৰে।।
এহি বিমৰিষ কৰি ডেৰ দিয়া পৰিলন্ত
সেনাপতি প্ৰহস্তৰ ঠাৱে।
তাত পাছে মহাপাৰ্শ্ব- ওৱাৰি পশিলা গৈয়া
শবদ নকৰে যেন পাৱে।।
কুম্ভকৰ্ণ বীৰৱযে ওৱাৰি পশিলা বীৰ
আতি বৰ বহল বিস্তাৰ।
তৈতো সীতা গোসানীক খুজি-লুড়ি নপাইলন্ত
বিভীষণ-থানে পয়সাৰ।।
লোমবৰ্ণ অশ্বকৰ্ণ শঙ্কুকৰ্ণ ৰাক্ষসৰ
বিদ্যুজ্জিহ্ব হস্তীৰ বদন।
অৰ্দ্ধকেতু অৰ্দ্ধগ্ৰীৱ মত্তগ্ৰীৱ নিকুম্ভৰ
কুম্ভৰযে যতেক ভৱন।।
সৱাহৰে চাহিলন্ত পিণ্ড বাড়ী কয়ণ্টাত
খুজি-লুড়ি নপাইলা উদ্যানে।
খুপিৰ ভিতৰ পশি ৰন্ধন-শালাৰ ঘৰে
খুজিলন্ত নানাবিধ থানে।।
নাদ নামে নিশাচৰ শোণিতাক্ষ-ওৱাৰিত
খুজিলান্ত আতিশয় যত্নে।
তাত পাছে ৰাৱণৰ ওৱাৰি পশিলা গৈয়া
চতুৰ্ভিতি বেৰি জ্বলে ৰত্নে।।
আতি প্ৰীতিবন্ধে তাক বিশ্বকৰ্ম্মে নিৰ্ম্মিলন্ত
সুৱৰ্ণ মাণিকে থানে থানে।

চন্দ্র আদিত্যক ধিক আতি বিতোপন জ্বলে
দেখিলন্ত বীৰ হনুমানে।।
ওৰাৰি মধ্যত চিত্র থানে থানে দেখিলন্ত
আতি বৰ বিস্তাৰ গহীন।
নিৰ্ম্মল কমলসৰ পৰিমল বৃক্ষচয়
সুগন্ধিত বহয় পৱন।।

## ২.১.৩ কবি পৰিচয়

শংকৰদেৱৰ পূৰ্বৱৰ্তী কালৰ কবিসকলৰ ভিতৰত মাধৱ কন্দলিক শ্রেষ্ঠ কবি বুলি বহু প্রতিস্থিত সমালোচকে উল্লেখ কৰি গৈছে। তেওঁ অনুবাদ কৰা ৰামায়ণৰ লংকাকাণ্ডৰ অনুবাদত দিয়া আত্ম পৰিচয়মূলক ভণিতাত তেওঁ বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা লাভ কৰাৰ কথা জানিব পাৰি—

কবিৰাজ কন্দলি যে আমাকেসে বুলিৰয়,
কৰিলোহোঁ সৰ্ব্বজন বোধে।
ৰামায়ণ সুপয়াৰ শ্রীমহা মাণিকে যে,
বৰাহ ৰাজাৰ অনুৰোধে।।

মহামাণিক্যৰ পৰিচয় সম্পৰ্কে প্রত্যক্ষ প্রমাণ বা তথ্য পাবলৈ নাই। কিন্তু তেওঁৰ নামৰ আগত বৰাহী শব্দটো লাগি থকাৰ পৰাই অনুমান কৰিব পাৰি যে তেওঁ এগৰাকী কছাৰী ৰজা আছিল। মহেশ্বৰ নেওগে *কছাৰী বুৰঞ্জীত* উল্লেখ কৰা মহামানিফা নামৰ ৰজাগৰাকীয়েই মহামাণিক্য বুলি অনুমান কৰিছে। আনহাতে কনকলাল বৰুৱাই *Early History of Kamrupa* গ্রন্থত এখন শিলালিপিৰ প্রমাণ ডাঙি ধৰি কপিলি উপত্যকাৰ ৰজাসকলে মাণিক্য উপাধি লিখা বুলি মন্তব্য কৰিছে। এনেদৰে প্রাপ্ত পৰোক্ষ সাক্ষ্যৰ আধাৰত বৰাহী ৰজা মহামাণিক্যই মধ্য অসমৰ নগাঁও অঞ্চলকে ধৰি ডিমাপুৰ-কাছাৰ সামৰি ৰাজত্ব কৰিছিল বুলি অনুমান কৰা হয়। তদুপৰি তেওঁ যে চতুৰ্দশ শতিকাৰ ব্যক্তি আছিল, সেয়াও বিভিন্ন তথ্যৰ আধাৰত অনুমান কৰা হৈছে। গতিকে মাধৱ কন্দলিয়ে মধ্য অসমত থাকি চতুৰ্দশ শতিকাত সাহত্য চৰ্চা কৰিছিল বুলি ভবা হয়।

মাধৱ কন্দলিয়ে 'সপ্তকাণ্ড ৰামায়ণ' অনুবাদ কৰা বুলি লংকা কাণ্ডৰ অনুবাদত উল্লেখ কৰিছে—

সাত কাণ্ড ৰামায়ণ পদ বন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোধৃত।
মহামাণিক্যৰ বোলে কাব্যৰস কিছো দিলোঁ
দুগ্ধক মথিলে যেন ঘৃত।।

কিন্তু তেওঁৰ ৰামায়ণত আদি আৰু অযোধ্যা কাণ্ড দুটা নাই। তেওঁৰ ৰামায়ণ আৰম্ভ হৈছে অযোধ্যা কাণ্ডত। তাৰ পাছতে আছে ক্রমে অৰণ্য কাণ্ড, কিষ্কিন্ধ্যা কাণ্ড, সুন্দৰা কাণ্ড আৰু লংকা কাণ্ড। বহুতে প্রথম আৰু শেষৰ কাণ্ড দুটা হেৰাল বা নষ্ট হ'ল বুলি ক'ব বিচাৰে যদিও এই দুটা তেওঁ অনুবাদেই কৰা নাছিল বুলি ভবাৰ সপক্ষেহে যুক্তি প্রবল। কাৰণ তেওঁ লংকা কাণ্ডতে নিজৰ নামত ভণিতা পেলাইছে। ই প্রমাণ কৰে যে লংকা কাণ্ডলৈকেহে তেওঁ হয়তো ৰামায়ণ অনুবাদ কৰিছিল। তদুপৰি 'ৰামায়ণ' শব্দটিৰ গঠনেও তাৰে ইংগিত দিয়ে। ৰাম + অয়ন, ইয়াৰ অৰ্থ হ'ব পাৰে ৰামৰ অয়ন বা পৰ্যটন। ৰামৰ পৰ্যটন বনলৈ যোৱাৰ পৰা ৰজা হোৱালৈ বুলি ধৰিলে অযোধ্যা কাণ্ডত আৰম্ভ হৈ লংকাকাণ্ডতে ৰামায়ণ সামৰাৰ সপক্ষে যুক্তি পোৱা যাব। মূল ৰামায়ণৰো বালকাণ্ড বা আদিকাণ্ড আৰু উত্তৰাকাণ্ড প্রক্ষিপ্ত বুলি পণ্ডিতসকলে ক'ব বিচাৰে। গতিকে 'সপ্তকাণ্ড ৰামায়ণ' কথাষাৰ কোনোবা লিপিকাৰে পাছত লগাই দিয়া হ'ব পাৰে।

মাধৱ কন্দলি যে অসাধাৰণ প্ৰতিভাসম্পন্ন কবি আছিল সেই কথা শংকৰদেৱে কৰা এষাৰ মন্তব্যৰ পৰাই অনুমান কৰিব পাৰি। 'উত্তৰাকাণ্ড'ত শংকৰদেৱে মাধৱ কন্দলিৰ বিষয়ে উল্লেখ কৰিছে—



পূৰ্ব্বকবি অপ্ৰমাদী মাধৱ কন্দলি আদি
বিৰচিলা পদে ৰাম কথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা।।

—ইয়াত শংকৰদেৱে মাধৱ কন্দলিক 'পূৰ্ব্বকবি' সকলৰ ভিতৰত 'অপ্ৰমাদী' বুলি উল্লেখ কৰিছে। অপ্ৰমাদী শব্দই প্ৰমাদবিহীন অৰ্থাৎ অতি আদৰ্শ তথা উত্তম স্তৰৰ অৰ্থ নিৰ্দেশ কৰে। শংকৰদেৱৰ এই বৰ্ণনাতে উপমা হিচাপে নিজকে শহা আৰু মাধৱ কন্দলিক হস্তীৰ লগত তুলনা কৰিছে। হাতীৰ লাদ দেখি শহাই ভীৰাই লৰ মৰাৰ দৰে তেওঁৰো অৱস্থা হোৱা বুলি মন্তব্য কৰিছে। ইয়ে প্ৰমাণ কৰে যে শংকৰদেৱৰ দৰে যুগস্ৰস্তা অসমীয়া কবিৰ বাবেও মাধৱ কন্দলি আছিল আদৰ্শ কবি।

**আত্মমূল্যয়নৰ প্ৰশ্ন ঃ**

১। মাধৱ কন্দলি কোন শতিকাৰ কবি?

.......................................................................................................

.......................................................................................................

২। মাধৱ কন্দলিয়ে কাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

.......................................................................................................

.......................................................................................................

৩। মাধৱ কন্দলিক কোনে অপ্ৰমাদী কবি বুলি অভিহিত কৰিছিল?

.......................................................................................................

.......................................................................................................

৪। মাধৱ কন্দলিৰ ৰামায়ণত নথকা কাণ্ড দুটা কি কি?

.......................................................................................................

.......................................................................................................

## ২.১.৪ কাব্যাংশৰ ভাবাৰ্থ বিচাৰ

'ৰামায়ণৰপৰা' কবিতাটো এটা স্বয়ংসম্পূৰ্ণ কবিতা নহয়। মাধৱ কন্দলি ৰচিত ৰামায়ণৰ 'সুন্দৰাকাণ্ড'ৰ এটা সামান্য অংশক 'ৰামায়ণৰপৰা' নামেৰে পাঠ্য কবিতা হিচাপে নিৰ্বাচন কৰা হৈছে। এই অংশটোত হনুমানে সীতাৰ সন্ধানত লংকাত গৈ মুখামুখি হোৱা বিভিন্ন পৰিস্থিতিৰ ৰেঙণি পোৱা যায়। সীতা প্ৰকৃততে লংকাত আছেনে নাই তাৰ বুজ ল'বলৈ হনুমান সাগৰ পাৰ হৈ লংকালৈ গৈছিল। তাত গৈ সীতাক বিচাৰি লংকাৰ বিভিন্ন ঠাই চলাথ কৰিছিল। সেই বৰ্ণনাৰ কিছু অংশ পাঠ্য হিচাপে নিৰ্বাচিত কাব্যাংশত পোৱা যায়।

হনুমানে গৈ লংকা নগৰত প্ৰৱেশ কৰি ৰাৱণে ত্ৰিভুৱনৰ নানান যুদ্ধ জয় কৰি হৰণ কৰি অনা নাৰীসকলক দেখিবলৈ পায়। সেই নাৰীসকলক দেহৰ গঠন অনুসৰি শঙ্খিনী, চিত্ৰিণী, পদ্মিনী, হস্তিনী আদি বিশেষণেৰে অভিহিত কৰিছে। ৰাৱণ পাত্ৰ-মন্ত্ৰীসকলৰ হাতত ৰাজ্যৰ দায়িত্ব গতাই দি সেই নাৰীসকলৰ লগত খেল-ধেমালি কৰাত ব্যস্ত হৈ থাকে। সেয়া দেখি বায়ুপুত্ৰ হনুমানে লাজতে নাকত আঙুলি দি ভাবিছে জগতখন যে কেনেকৈ বিচলিত হৈছে! হনুমান যথেষ্ট উদ্বিগ্নতাত ভুগিছে, কাৰণ তেওঁ সীতাক কেতিয়াও দেখা নাই, সীতাৰ কোনো পৰিচয়ো নাজানে। তেওঁ দেৱ-দেৱীৰ প্ৰাসাদত নাৰীসকলক সহজে বিচাৰি উলিয়াব পাৰে, কাৰণ তেওঁলোক বৰ পতিব্ৰতা।

তেনেদৰে মন বেয়া কৰি হনুমানে ৰাৱণৰ বিশ্বস্ত সেনাপতি প্ৰহস্তৰ বাসস্থানৰ ফালে জঁপিয়াই জঁপিয়াই সোমাই গ'ল। ভৰিৰে শব্দ নকৰাকৈ তেওঁ ক্ৰমাৎ সোমাই গ'ল। তাৰ পাছত তেওঁ কুম্ভকৰ্ণৰ

অট্টালিকালৈ সোমাই গ'ল। সেই অট্টালিকাটো অতি বৃহৎ। তাতো বিচাৰি খোচাৰি সীতাক নাপাই বিভীষণৰ বাসস্থানৰ ফাললৈ গ'ল। লাহে লাহে হনুমানে সকলো ৰাক্ষসৰ ঘৰে ঘৰে সীতাৰ সন্ধান কৰিবলৈ ধৰিলে। সেই ৰাক্ষসবোৰ এনেধৰণৰ আছিল— লোমবৰ্ণ, অশ্বকৰ্ণ, শঙ্কুকৰ্ণ, বিদ্যুজ্জিহ্ব, অৰ্দ্ধকেতু, অৰ্দ্ধগ্ৰীৱ, মত্তগ্ৰীৱ, নিকুম্ভ, কুম্ভ আদি।

সকলোতে বিচাৰি বিচাৰি নাপাই উদ্যানতো বিচাৰিলে, কোঠাবোৰতো এটা এটাকৈ বিচাৰি সীতাক নাপাই ৰান্ধনী ঘৰত গৈয়ো বিচাৰিলে, কিন্তু সীতাক নাপালে। নাদ নামেৰে এটা নিশাচৰ ৰাক্ষসৰ অট্টালিকাতো অতি কষ্ট কৰি বিচাৰিলে। তাৰ পাছত ৰাৱণৰ অট্টালিকাত গৈ সোমাল। তাত গৈ দেখিলে চাৰিওফালে ৰত্নবোৰ জিলিকি আছে। ৰাৱণৰ এই অট্টালিকাটো বিশ্বখনিকৰ বিশ্বকৰ্মাই অতি যত্নেৰে নিৰ্মাণ কৰিছিল। অট্টালিকাৰ ঠায়ে ঠায়ে সোণ আৰু মাণিক ভৰি আছে। সেই সোণ আৰু মাণিকসমূহ চন্দ্ৰ, সূৰ্যতকৈ উজ্জ্বল হৈ জিলিকি থকা হনুমানে দেখিবলৈ পালে। অট্টালিকাৰ মাজত চিত্ৰও আছিল। সেইসমূহ অতি বৃহৎ আৰু গাম্ভীৰ্যপূৰ্ণ। অট্টালিকালৈ নিৰ্মল পদুম আৰু আন গছৰপৰা সুগন্ধ বতাহত ভাঁহি আহে।

**আত্মমূল্যয়নৰ প্ৰশ্ন ঃ**

১। হনুমান লংকালৈ কিয় গৈছিল?

.....................................................................................................

.....................................................................................................

২। হনুমানে গৈ লংকা নগৰত প্ৰৱেশ কৰি কি দেখিবলৈ পাইছিল?

.....................................................................................................

.....................................................................................................

৩। মন বেয়া কৰি হনুমান ক'লৈ গ'ল?

.....................................................................................................

.....................................................................................................

৪। ৰাৱণৰ অট্টালিকাটো কোনে নিৰ্মাণ কৰিছিল ?

.....................................................................................................

.....................................................................................................

## ২.১.৫ কাব্যাংশৰ কাব্যিক সৌন্দৰ্য

'ৰামায়ণৰপৰা' কবিতাটোত মাধৱ কন্দলিৰ অতুলনীয় কাব্য প্ৰতিভা প্ৰকাশ পাইছে। লগতে কবিতাটো কাব্যিক সৌন্দৰ্যৰেও সমৃদ্ধ। এই অংশটো ৰচনা কৰা হৈছে মিত্ৰাক্ষৰ ছন্দ সজ্জাত। মিত্ৰাক্ষৰ ব্যৱহাৰৰ ক্ষেত্ৰত মাধৱ কন্দলি অতি সচেতন। প্ৰত্যেকটো মিত্ৰাক্ষৰ সঠিকভাৱে উজুতি নোখোৱাকৈ ব্যৱহাৰ কৰিছে। যেনে— ক্ৰীড়া - পীড়া, প্ৰকাৰে - ব্যৱহাৰে, ঠাৰে - পাৰে আদি। ইয়াত ব্যৱহৃত ছন্দক 'ছবি' ছন্দ বুলি কোৱা হয়। অলংকাৰৰ ব্যৱহাৰতো মাধৱ কন্দলি দক্ষ। এই কবিতাত অন্ত্যমিল ব্যৱহাৰৰ ফলত অন্ত্যানুপ্ৰাস অলংকাৰেৰে সমৃদ্ধ হৈছে। এনেধৰণে ছন্দ আৰু অলংকাৰৰ সঠিক প্ৰয়োগে কবিতাটোৰ কাব্যিক সৌন্দৰ্য বৃদ্ধি হৈছে।

কবিতাটোত বিষয় বিন্যাস অত্যন্ত সাৱলীল। প্ৰথমতে হনুমানে লংকাৰ বিশৃঙ্খল পৰিৱেশটো দেখা পাইছে। ৰাৱণে ৰাজকাৰ্য পাত্ৰ মন্ত্ৰীসকলৰ হাতত গতাই নিজে সুন্দৰী নাৰীসকলৰ লগত আনন্দ কৰি আছে। সেই নাৰীসকলৰ বিষয়ে মাধৱ কন্দলিয়ে বহুত বেছি শব্দ ব্যয় নকৰাকৈ শঙ্খিনী, চিত্ৰিণী, পদ্মিনী আদি শব্দৰ যোগেদি এটা ধাৰণা আগবঢ়াইছে। একেদৰে বিভিন্ন ৰাক্ষসৰ দৈহিক আভাসো একোটা শব্দৰ যোগেদিয়ে দিছে; যেনে লোমবৰ্ণ, অশ্বকৰ্ণ, শঙ্কুকৰ্ণ আদি।

হনুমানৰ দৃষ্টিৰ মাজেৰে পঢ়ুৱৈসকলে কবিতাটোত সমগ্ৰ দৃশ্যাৱলী সজীৱভাৱে অনুভৱ কৰিব পাৰে। এফালৰপৰা সীতাৰ সন্ধানত হনুমানে লংকা চলাথ কৰিছে। সেই লংকা সম্বন্ধে পঢ়ুৱৈসকলৰ কোনো ধাৰণা নাই। কিন্তু কবি কন্দলিয়ে ইমান সুন্দৰভাৱে ইটোৰ পাছত সিটো দৃশ্যৰ মাজেৰে সমগ্ৰ



ignou THE PEOPLE'S UNIVERSITY

লংকাখনৰ এখন ছবি দাঙি ধৰিছে যে মুদ্ধ নহৈ নোৱাৰি। লংকাৰ ৰজাঘৰীয়া প্ৰায়কেইজন বীৰৰ বাসগৃহৰ বৰ্ণনাই কবিতাটোত পোৱা যায়। এঠাইত লংকাৰ কাম-কাণ্ড দেখি হনুমানে লাজ অনুভৱ কৰিছে। সেয়া বুজাবলৈ কন্দলিয়ে লিখিছে— 'নাকত আঙ্গুলি দিয়া, বোলন্ত পৱন সুতে'। এনে ব্যঞ্জনাধৰ্মীতাই কাব্যিক সৌন্দৰ্য বৃদ্ধি কৰিছে।

লংকা বা ৰাৱণ বুলি ক'লে সাধাৰণতে সকলোৰে মনত বিৰূপ ভাবৰ সৃষ্টি হয়। কিন্তু এই কবিতাটোত সেই বিৰূপ ভাব উগ্ৰভাৱে প্ৰকাশ কৰা নাই। লংকাৰ ঐশ্বৰ্যসমূহক প্ৰশংসা কৰিবলৈও পাহৰা নাই। মাত্ৰা ৰাখি কবিয়ে লংকাৰ বিষয়ে যথাৰ্থভাৱে ব্যাখ্যা আগবঢ়াইছে। তাৰ বাবে ব্যৱহৃত ভাষা ব্যঞ্জনাপূৰ্ণ। যেনে ৰাৱণৰ অট্টালিকাত ব্যৱহৃত সোণ-মাণিকৰ সৌন্দৰ্যক কবিয়ে 'চন্দ্ৰ আদিত্যক ধিক' বুলি বৰ্ণনা কৰিছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১। কাব্যাংশত ব্যৱহৃত ছন্দক কি ছন্দ বুলি কোৱা হয়?

..............................................................................................................

..............................................................................................................

২। অন্ত্যমিল ব্যৱহাৰৰ ফলত কি অলংকাৰেৰে সমৃদ্ধ হৈছে?

..............................................................................................................

..............................................................................................................

৩। নাৰীসকলৰ বিষয়ে মাধৱ কন্দলিয়ে বহুত বেছি শব্দ ব্যয় নকৰাকৈ কি কি শব্দৰ যোগেদি এটা ধাৰণা আগবঢ়াইছে।?

..............................................................................................................

..............................................................................................................

৪। কি বুজাবলৈ কন্দলিয়ে লিখিছে— 'নাকত আঙ্গুলি দিয়া, বোলন্ত পৱন সুতে' ?

..............................................................................................................

..............................................................................................................

## ২.১.৬ শব্দ টোকা

**শঙ্খিনী** ঃ প্ৰাচীন ভাৰতীয় আলোচনাত নাৰীৰ ৰূপ বুজোৱা এটা শব্দ। কবিতাটোত চিত্ৰিণী,পদ্মিনী, হস্তিনী আদি শব্দৰেও নাৰীৰ বিভিন্ন ৰূপ সূচাইছে।

**ত্ৰিভুৱন** ঃ তিনি ভুৱন— স্বৰ্গ, মৰ্ত্য আৰু পাতাল

**লঙ্কেশ্বৰ** ঃ লংকাৰ ৰজা ৰাৱণক বুজোৱা হৈছে

**প্ৰসাদ** ঃ প্ৰাসাদ, অট্টালিকা

**প্ৰহস্ত** ঃ ৰাক্ষস সুমালী আৰু কেতুমতীৰ পুত্ৰ। এওঁ ৰাৱণৰ এজন বিশ্বস্ত মন্ত্ৰী আৰু সেনাপতি আছিল। লংকাৰ যুদ্ধত এওঁ নীলৰ হাতত নিহত হয়।

**মহাপাৰ্শ্ব** ঃ বিশ্ৰৱা মুনি আৰু ৰাক্ষসী পুষ্পোৎকটাৰ পুত্ৰ

**ওৱাৰি** ঃ অট্টালিকা, ঘৰ

**পয়সাৰ** ঃ প্ৰৱেশ কৰিলে।

**অৰ্দ্ধগ্ৰীৱ** ঃ ডিঙিটো আধা থকা ৰাক্ষস।

**নিকুম্ভ** ঃ কুম্ভকৰ্ণৰ পুত্ৰ

**সৰাহাৰে** ঃ সকলোৰে

**পিণ্ড** ঃ লাডু

**কয়ণ্টাত** ঃ ক'তো

**খুপি** ঃ কোঠালি

**শোণিতাক্ষ**ঃ লংকাৰ এজন ৰাক্ষস। সীতাক বিচাৰি হনুমান তেওঁৰ ঘৰলৈও গৈছিল।

**চতুৰ্ব্ভিতি** ঃ চাৰিওফালে
**ধিক** ঃ অধিক
**পৰিমল** ঃ সুগন্ধ
**বহয়** ঃ বয়



## ২.১.৭ অনুশীলনী

### ২.১.৭.১ বোধজ্ঞান অনুশীলনী

১। কবিতা সম্পৰ্কীয় আলোচনা আৰু কবিতাটোৰ ভিত্তিত তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়ক। প্ৰতিটো প্ৰশ্নৰ বাবে তিনিটাকৈ বিকল্প দিয়া আছে; শুদ্ধ উত্তৰ বাচি ✓ চিন দিয়ক।

(ক) 'পূৰ্ব্ব কবি অপ্ৰমাদী' বুলি কোনে কৈছিল?
১। মাধৱদেৱ
২। মাধৱ কন্দলি
৩। শংকৰদেৱ

(খ) নিকুম্ভ কোন আছিল?
১। বিভীষণৰ পুত্ৰ
২। কুম্ভকৰ্ণৰ পুত্ৰ
৩। ৰাৱণৰ পুত্ৰ

(ঙ) শঙ্খিনী, চিত্ৰিণী, পদ্মিনী আদি শব্দৰ যোগেদি কাক বুজোৱা হৈছে?
১। নাৰীসকলক
২। ফুলবোৰক
৩। চিত্ৰসমূহক

(চ) 'হৰি হৰি গোসাঁনীৰ, পৰিচয় নভৈলোহো'— ইয়াত গোসাঁনী মানে কাক বুজোৱা হৈছে?
১। দুৰ্গাক
২। সীতাক
৩। মন্দোদৰীক

(ছ) পৰিমল মানে কি?
১। বতাহ
২। আকাশ
৩। সুগন্ধ

(জ) ৰাৱণৰ ৰাজপ্ৰাসাদটো কোনে নিৰ্মাণ কৰিছিল?
১। বিশ্বকৰ্মা
২। সূৰ্য দেৱতা
৩। মেঘনাদ

২। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একেটা বাক্যতে লেখক ঃ

(ক) মাধৱ কন্দলি কোন যুগৰ কবি আছিল?

...........................................................................................................

(খ) 'দেৱজিৎ' কাব্যখনৰ কবি কোন?

...........................................................................................................

(গ) এই পাঠৰ কাব্যাংশ ৰামায়ণৰ কোনটো কাণ্ডৰপৰা তুলি অনা হৈছে?

...........................................................................................................

(ঘ) 'ৰামায়ণখন' মুঠতে কেইটা কাণ্ডত সম্পূৰ্ণ হৈছে।

...........................................................................................................



ignou
THE PEOPLE'S
UNIVERSITY

(ঙ) 'লঙ্কেশ্বৰ' বুলি কাক বুজোৱা হৈছে?

..................................................................................................................

(চ) মহাপাৰ্শ্বৰ দেউতাক কোন আছিল?

..................................................................................................................

(ছ) 'ৰামায়ণৰপৰা' কবিতাটোত অন্ত্যমিল থকাৰ বাবে কি অলংকাৰ সৃষ্টি হৈছে?

..................................................................................................................

৩। তলৰ শাৰীবোৰ কবিতাটোৰ পৰা তুলি দিয়া হৈছে। তাৰ মাজৰ দুই এটা শব্দ উঠাই দিয়া হৈছে। কবিতাটোৰ পৰা বিচাৰি সেই শব্দৰে খালী ঠাই সম্পূৰ্ণ কৰক।

(ক) নাকত ............. দিয়া বোলন্ত পৱন সুতে

(খ) এহি বিমৰিষ কৰি ডেৰ দিয়া পৰিলন্ত, সেনাপতি ............. ঠাৱে

(গ) তৈতো সীতা ............. খুজি-লুড়ি নপাইলন্ত

(ঘ) খুপিৰ ভিতৰ পশি ............. ঘৰে

(ঙ) চন্দ্ৰ আদিত্যক ধিক আতি বিতোপন জ্বলে, দেখিলন্ত বীৰ .............

(চ) নিৰ্ম্মল কমলসৰ ............. বৃক্ষচয়, সুগন্ধিত বহয় পৱন

### ২.১.৭.২ বৈয়াকৰণিক অনুশীলনী

১। তলৰ শব্দবোৰ কবিতাটোৰ পৰা উদ্ধৃত কৰা হৈছে; শব্দবোৰৰ প্ৰতিশব্দ বিচাৰি উলিয়াওক ঃ

পৱন .....................................

ডেৰ .....................................

পাৱ .....................................

বদন .....................................

খুপি .....................................

আদিত্য .....................................

কমল .....................................

২। তলৰ শব্দবোৰ কবিতাটোৰ পৰা তুলি অনা হৈছে। এই শব্দবোৰৰ কিছুমান বানান শুদ্ধ আৰু কিছুমান অশুদ্ধ; যিবোৰ অশুদ্ধ সেইবোৰ শুদ্ধ কৰক ঃ

ত্ৰিভূৱণে .....................................

ক্ৰিড়া .....................................

পত্ৰিব্ৰতা .....................................

প্ৰহস্ত .....................................

মদ্দগ্ৰীৱ .....................................

উৱাৰি .....................................

ঠানে ঠানে .....................................

চাহিলন্ত .....................................

শোণিতাক্ষ .....................................

কমলসল .....................................

### ২.১.৭.৩ পঠন অনুশীলনী

১। গোটেই কবিতাটো পঢ়ক আৰু ইয়াৰ কোনটো অংশ ভাল লাগিল বিচাৰি চাওক।

২। ভাল লগা অংশটো পুনৰ পঢ়ক; এইবাৰ কোনটো শাৰী বেছি ভাল লাগিল, বিচাৰি উলিয়াওক।

৩। কবিতাটোত পোৱা পুৰণি অসমীয়া শব্দবোৰ মনত ৰাখক।

৪। কবিতাটোত পোৱা পুৰণি অসমীয়া শব্দবোৰৰ বানান মনত ৰাখক।

৫। কবিতাটোত পোৱা ৰামায়ণৰ বিভিন্ন চৰিত্ৰসমূহৰ নাম মনত ৰাখক।

৬। কবিতাটোত লংকাৰ নাৰী আৰু ৰাক্ষসসকলক বুজাবলৈ কিছুমান বিশেষ বিশেষণ ব্যৱহাৰ কৰা হৈছে; সেইসমূহ চিনাক্ত কৰক আৰু মনত ৰাখক।

৭। কবিতাটোৰ মূলভাবটো পঢ়ক; কবিতাটোৰ বৰ্ণনা অনুযায়ী মূলভাবটো হৈছেনে নাই বিচাৰ কৰক।

৮। কাব্যিক সৌন্দৰ্যৰ কথাখিনি পঢ়ক; তাত আৰু কিবা কথা যোগ দিব পাৰে নেকি চেষ্টা কৰক।

### ২.১.৭.৪ লিখন অনুশীলনী

১। মাধৱ কন্দলিৰ চমু পৰিচয় দিয়ক।

........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................

৩। 'ৰামায়ণৰপৰা' কবিতাটো পঢ়ি ভাল লগাৰ কাৰণসমূহ লিখক।

........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................

৪। 'ৰামায়ণৰপৰা' কবিতাটোৰ যোগেদি লংকাৰ বিষয়ে এটা ধাৰণা জন্মাব পাৰেনে? বুজাই লিখক।

........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................

৫। কবিতাটোৰ আটাইতকৈ ভাল লগা অংশটো মুখস্থ কৰি লিখক।

........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................
........................................................................................................

ignou THE PEOPLE'S UNIVERSITY

৬। 'ৰামায়ণৰপৰা' কবিতাটোৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰক।

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

৭। কবিতাটোত বৰ্ণিত ৰাক্ষসসকলৰ বিষয়ে চমুকৈ লিখক।

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

৮। 'ৰামায়ণৰপৰা' কবিতাটোৰ মূল ভাবটো নিজৰ ভাষাৰে লিখক।

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

......................................................................................................................................................

## ২.১.৮ উত্তৰ সংকেত

আগতে বোধজ্ঞান আৰু ব্যাকৰণগত অনুশীলনী যিবোৰ দিয়া হৈছিল সেইবোৰ এতিয়া তলত দিয়া উত্তৰৰ লগত মিলাই চাওক; আপোনাৰ যিবোৰ ভুল হৈছিল, এতিয়া সেইবোৰ শুধৰাই লওক।

### ১.৮.১ বোধজ্ঞান অনুশীলনী

১। (ক) ১। মাধৱদেৱ
২। মাধৱ কন্দলি
৩। শংকৰদেৱ ✓

(খ) ১। বিভীষণৰ পুত্ৰ
২। কুম্ভকৰ্ণৰ পুত্ৰ ✓
৩। ৰাৱণৰ পুত্ৰ

(গ) ১। নাৰীসকলক ✓
২। ফুলবোৰক
৩। চিত্ৰসমূহক
(ঘ) ১। দুৰ্গাক
২। সীতাক ✓
৩। মন্দোদৰীক
(ঙ) ১। বতাহ
২। আকাশ
৩। সুগন্ধ ✓
(চ) ১। বিশ্বকৰ্মাই ✓
২। সূৰ্য দেৱতাই
৩। মেঘনাদে



২। (ক) মাধৱ কন্দলি প্ৰাক্ শংকৰী যুগৰ কবি আছিল।
(খ) 'দেৱজিৎ' কাব্যখনৰ কবি হ'ল মাধৱ কন্দলি।
(গ) 'ৰামায়ণৰপৰা' কবিতাটো ৰামায়ণৰ সুন্দৰা কাণ্ডৰপৰা তুলি অনা হৈছে।
(ঘ) 'ৰামায়ণ'খন মুঠতে সাতটা কাণ্ডত সম্পূৰ্ণ হৈছে।
(ঙ) 'ৰামায়ণৰপৰা' কবিতাটোত 'লঙ্কেশ্বৰ' বুলি ৰাৱণক বুজোৱা হৈছে?
(চ) মহাপাৰ্শ্ব দেউতাক আছিল বিশ্ৰৱা মুনি।
(ছ) 'ৰামায়ণৰপৰা' কবিতাটোত অন্ত্যমিল থকাৰ বাবে অন্ত্যানুপ্ৰাস অলংকাৰৰ সৃষ্টি হৈছে।

৩। (ক) আঙ্গুলি
(খ) প্ৰহস্তৰ
(গ) গোসাঁনীক
(ঘ) ৰন্ধন-শালাৰ
(ঙ) হনুমানে
(চ) পৰিমল

## ১.৮.২ বৈয়াকৰণিক অনুশীলনী

১। পৱন > বতাহ
ডেৱ > জাপ
পাৱ > ভৰি
বদন > মুখ
খুপি > কোঠা
আদিত্য > সূৰ্য
কমল > পদুম

২। ত্ৰিভূৱনে
ক্ৰীড়া
পতিব্ৰতা
প্ৰশস্ত
মত্তগ্ৰীৱ
ওৱাৰি
থানে থানে
চাহিলন্ত
শোণিতাক্ষ
কমলসৰ

## ১.৯ অতিৰিক্ত পঠন উপদেশ

আপোনালোকে এই পাঠটোৰ সম্পৰ্কে বহলাই জানিবলৈ হ'লে তলৰ কিতাপকেইখন পঢ়িব পাৰে—

১। সঞ্চয়ন ঃ সম্পাদনা - ড° মহেশ্বৰ নেওগ
২। মাধৱ কন্দলিৰ ৰামায়ণৰ সুন্দৰাকাণ্ড ঃ সম্পাদনা - ড° কৰবী ডেকা হাজৰিকা
৩। ৰামায়ণী সাহিত্য ঃ কেশদা মহন্ত

ignou
THE PEOPLE'S
UNIVERSITY